"প্ৰতিটো নিচা জাতীয় বস্তুৱে হৈছে হাৰাম। "

আবু বুৰদাই তেওঁৰ পিতৃ আবু মুছা আশ্বাআৰী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণনা কৰিছে যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁক (গভৰ্ণৰ হিচাপে) য়ামানলৈ প্ৰেৰণ কৰিছিল। তেওঁ য়ামানত প্ৰস্তুত হোৱা কেইটামান নিচা জাতীয় পানীয় সম্পৰ্কে নবী চাল্লাল্লাহু আলাইহি অছাল্লামক প্ৰশ্ন কৰিলে। তেখেতে ক 'লেঃ সেইবোৰ কি? তেওঁ ক'লেঃ "সেয়া হৈছে (الْبِتْعُ وَالْمِزْرُ) আল-বিত্‌উ , অল-মিঝ্ৰ। " বৰ্ণনাকাৰীয়ে আবু বুৰদাক সুধিছিলঃ বিত্‌উ কাক বোলে? তেওঁ কৈছিলঃ মৌয়েৰে প্ৰস্তুত কৰা এবিধ পানীয় , আৰু মিঝ্ৰ হৈছে , যৱেৰে প্ৰস্তুত কৰা এবিধ পানীয়। তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে ইয়াৰ উত্তৰত কৈছিলঃ "প্ৰত্যেক নিচা জাতীয় দ্ৰব্যই হৈছে হাৰাম। " (বুখাৰী) মুছলিমৰ বৰ্ণনাত আছে যে , ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে মোক আৰু মুআজক য়ামানলৈ প্ৰেৰণ কৰিছিল। (এবাৰ) মই সুধিলোঁ ◌ঃ হে আল্লাহৰ ৰাছুল ! আমি থকা অঞ্চলত যৱৰ দ্বাৰা এক প্ৰকাৰ নিচা জাতীয় পানীয় প্ৰস্তুত কৰা হয় , যাক মিঝ্ৰ বোলে আৰু মৌয়েৰে প্ৰস্তুত কৰা আন এটা পানীয় যাক আল-বিত্‌উ বোলে , (ইয়াৰ বিধান কি ?)। তেখেতে ক'লেঃ "প্ৰত্যেক নিচা জাতীয় বস্তুৱে হৈছে হাৰাম। " মুছলিমৰ আন এটা বৰ্ণনাত আছে যে, "তেখেতে ক'লেঃ প্ৰত্যেক এনেকুৱা নিচা জাতীয় বস্তু যিয়ে নামাজৰ পৰা বিৰত ৰাখে , সেইটোৱে হাৰাম। " আন এটা বৰ্ণনাত আছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামক জাৱামেউল কালিম (অৰ্থাৎ কম শব্দত ব্যাপক অৰ্থবোধক তথা পৰিপূৰ্ণতাৰ সৈতে প্ৰকাশ কৰাৰ ক্ষমতা) প্ৰদান কৰা হৈছিল। তেখেতে কৈছেঃ "মই প্ৰত্যেক নিচা জাতীয় বস্তুৰ পৰা নিষেধ কৰিছোঁ , যিটোৱে নামাজৰ পৰা বিৰত ৰাখে।"

[ছহীহ] [رواه البخاري ومسلم]

আবু মুছা আশ্বআৰী ৰাদ্বিয়াল্লাহু আনহুৱে হাদীছটোত জনাইছে যে , নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁক য়ামানলৈ প্ৰেৰণ কৰিছিল। তেওঁ সেই ঠাইত পোৱা এবিধ পানীয় সম্পৰ্কে তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামক প্ৰশ্ন কৰিলে যে , সেইটো হাৰাম নেকি। আবু মুছা ৰাদ্বিয়াল্লাহু আনহুৱে সেই পানীয় দুটাৰ নাম উল্লেখ কৰি কৈছিল যে , এটাৰ নাম হৈছে আল-বিত্‌উ , এইটো হৈছে মৌয়েৰে তৈয়াৰ কৰা নাবীজ , আৰু আনটোৰ নাম হৈছে, আল-মিঝ্ৰ , এইটো হৈছে যৱ আদিৰে তৈয়াৰ কৰা নাবীজ। তেতিয়া নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছিল -(জানি থোৱা উচিত যে , তেখেতক মহান আল্লাহে কম শব্দত ব্যাপক অৰ্থবোধক কথা কোৱাৰ ক্ষমতা প্ৰদান কৰিছিল) "প্ৰত্যেক নিচা জাতীয় বস্তুৱে হৈছে হাৰাম "।

http://sunnah.global/hadeeth/as/show/66536